# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 17-12-2024
**Time :** 0705 hrs

*Assamese Morning Bulletin*

## HEADLINES

১। লোকসভাত আজি এক দেশ, এক নিৰ্বাচন সম্পৰ্কীয় দুখন বিধেয়ক উত্থাপন কৰা হ'ব।

২। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আজি পাঁচদিনীয়া ভ্ৰমণসূচীৰে অন্ধ্ৰপ্ৰদেশ আৰু তেলেংগানালৈ ৰাওনা হ'ব।

৩। কেন্দ্ৰীয় মন্ত্ৰী অশ্বিনী বৈষ্ণৱে ভাৰতীয় ৰে'লৱেলৈ আগবঢ়োৱা ব্যতিক্ৰমী সেৱাৰ বাবে ১০১ গৰাকী বিষয়া আৰু কৰ্মচাৰীক অতি বিশিষ্ট ৰে'ল সেৱা পদক প্ৰদান কৰিব।

৪। ৰাষ্ট্ৰীয় নিৰাপত্তা উপদেষ্টা অজিত ডোভালে কাইলৈ চীনৰ বিদেশ পৰিক্ৰমা মন্ত্ৰী ৱাং য়িৰ সৈতে বেইজিঙত বিশেষ প্ৰতিনিধি সভাত অংশগ্ৰহণ কৰিব।

*আৰু*

৫। বৰ্ডাৰ গাভাস্কাৰ ট্ৰফীৰ বাবে চলি থকা তৃতীয়খন টেষ্ট খেলৰ চতুৰ্থ দিনা আজি ভাৰতে প্ৰথম ইনিংছৰ খেল পুনৰ আৰম্ভ কৰিছে।

ooooo

লোকসভাত আজি এক দেশ, এক নিৰ্বাচন সম্পৰ্কীয় দুখন বিধেয়ক উত্থাপন কৰা হ'ব। কেন্দ্ৰীয় আইনমন্ত্ৰী অৰ্জুন মেঘৱালে  সংবিধানৰ ১২৯ সংখ্যক সংশোধনী আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ আইন সংশোধনী সন্দৰ্ভত দুখন বিধেয়ক আজি নিম্ন সদনত উত্থাপন কৰিব।

শেহতীয়াকৈ চৰকাৰে দেশত এক দেশ, এক নিৰ্বাচনৰ ধাৰণাৰ বিবেচনাৰ বাবে গঠন কৰা উচ্চস্তৰীয় সমিতিৰ পৰামৰ্শ গ্ৰহণ কৰিছে। প্ৰাক্তন ৰাষ্ট্ৰপতি ৰামনাথ কোৱিন্দৰ অধ্যক্ষতাত গঠিত সমিতিখনে ৰাজনৈতিক দল তথা বিশেষজ্ঞকে ধৰি অংশীদাৰসকলৰ সৈতে ধাৰাবাহিক আলোচনাত মিলিত হৈছিল। বিধেয়কখন আইনত পৰিণত হ'লে ইয়াক দুটা পৰ্যায়ত কাৰ্যকৰী কৰা হ'ব। প্ৰথম পৰ্যায়ত লোকসভা আৰু বিধানসভাৰ নিৰ্বাচন একেলগে অনুষ্ঠিত কৰাৰ লগতে পঞ্চায়তৰ দৰে স্থানীয় সংস্থাৰ নিৰ্বাচনসমূহ সাধাৰণ নিৰ্বাচনৰ ১০০ দিনৰ ভিতৰত সম্পন্ন কৰা হ'ব।

ইপিনে, বিজেপিয়ে আজি দলৰ সকলো লোকসভা সদস্যক নিম্ন সদনত উপস্থিত থাকিবলৈ থ্ৰী লাইন হুইপ জাৰী কৰিছে।

ooooo

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আজি পাঁচ দিনীয়া ভ্ৰমণসূচীৰে অন্ধ্ৰপ্ৰদেশ আৰু তেলেংগানালৈ ৰাওনা হ'ব। ভ্ৰমণকালত ৰাষ্ট্ৰপতিগৰাকীয়ে অন্ধ্ৰপ্ৰদেশৰ মংগলাগিৰিত থকা অখিল ভাৰতীয় আয়ুৰ্বিজ্ঞান প্ৰতিষ্ঠানৰ সমাৱৰ্তন সমাৰোহত অংশগ্ৰহণ কৰাৰ লগতে ছেকেন্দ্ৰাবাদৰ ৰাষ্ট্ৰপতি নিলয়মত বিভিন্ন প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিব।

ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে ছেকেন্দ্ৰাবাদৰ প্ৰতিৰক্ষা ব্যৱস্থাপনা মহাবিদ্যালয়ক ৰাষ্ট্ৰপতিৰ নিচান সন্মানো প্ৰদান কৰিব। তেওঁ লগতে ৰাষ্ট্ৰপতি নিলয়মত ৰাজ্যখনৰ শিক্ষাবিদকে ধৰি বিভিন্ন আগশাৰীৰ ব্যক্তিৰ সন্মানাৰ্থে আয়োজিত অভ্যৰ্থনাতো ভাগ ল'ব।

০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কালি ৰাষ্ট্ৰপতি ভৱনত শ্ৰীলংকাৰ ৰাষ্ট্ৰপতি অনুৰ কুমাৰ দিছানায়কৰ সন্মানাৰ্থে নৈশভোজৰ দিহা কৰে। নৈশভোজত ভাগলোৱা শ্ৰীদিছানায়ক আৰু তেওঁৰ সৈতে অহা প্ৰতিনিধি দলটোক আদৰণি জনাই ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে শ্ৰীলংকাৰ শেহতীয়া নিৰ্বাচনত জয়লাভ কৰা বাবে তেওঁক অভিনন্দন জ্ঞাপন কৰে।

অনুষ্ঠানত ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে কয় যে, ভাৰতৰ চুবুৰীয়া প্ৰথম নীতি তথা **সাগৰ** লক্ষ্যৰ ক্ষেত্ৰত শ্ৰীলংকা অতি গুৰুত্বপূৰ্ণ অংশ। ঘনিষ্ঠ আৰু বিশ্বাসযোগ্য সহযোগী হিচাপে বহনক্ষম অৰ্থনৈতিক উন্নয়নৰ বাবে শ্ৰীলংকাৰ চৰকাৰে কৰি অহা প্ৰচেষ্টাৰ প্ৰতি ভাৰতে সহায়ৰ হাত আগবঢ়াই যাব বুলি তেওঁ প্ৰকাশ কৰে।

ৰাষ্ট্ৰপতিগৰাকীয়ে লগতে কয়, যে শ্ৰীলংকাৰ অগ্ৰাধিকাৰ আৰু প্ৰয়োজনৰ ওপৰত ভিত্তি কৰি দেশখনৰ সৈতে ভাৰতৰ সৰ্বাত্মক উন্নয়ন সাহায্য সহযোগিতাৰ বিকাশ কৰা হৈছে। ভাৰতৰ বিনিয়োগ কেন্দ্ৰিক বিকাশে শ্ৰীলংকাৰ অৰ্থনৈতিক পুনৰুদ্ধাৰৰ লগতে সুস্থিৰতা ঘূৰাই অনাত সহায় কৰিব বুলি ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে দৃঢ় বিশ্বাস প্ৰকাশ কৰে। উভয় দেশৰ জনসাধাৰণৰ মাজৰ সম্পৰ্ক ভাৰত আৰু শ্ৰীলংকাৰ দ্বিপাক্ষিক সহযোগিতাৰ আধাৰ বুলিও তেওঁ উল্লেখ কৰে। দুয়োখন দেশৰ জনসাধাৰণৰ শান্তি আৰু সমৃদ্ধিৰ বাবে দ্বিপাক্ষিক সহযোগিতা ত্বৰান্বিত কৰাৰ বিষয়েও অনুষ্ঠানত দুয়োগৰাকী ৰাষ্ট্ৰপতিয়ে আলোচনা কৰে।

০০০০০

কেন্দ্ৰীয় ৰে'লমন্ত্ৰী অশ্বিনী বৈষ্ণৱে অহা ২১ ডিচেম্বৰত নতুন দিল্লীৰ ভাৰত মণ্ডপমত আয়োজিত এটা অনুষ্ঠানত ভাৰতীয় ৰে'লৱেলৈ আগবঢ়োৱা ব্যতিক্ৰমী সেৱাৰ বাবে ১০১ গৰাকী বিষয়া আৰু কৰ্মচাৰীক অতি বিশিষ্ট ৰে'ল সেৱা পদক প্ৰদান কৰিব। ইয়াৰ ভিতৰত ১৫ গৰাকী কৰ্মচাৰীক উদ্ভাৱণ, ৰে'লৱেৰ ৰাজহ বৃদ্ধি, উৎপাদনশীলতাৰ বিকাশ, আমদানিৰ ওপৰত থকা নিৰ্ভৰশীলতা হ্ৰাস আৰু থলুৱা প্ৰযুক্তিৰ ব্যৱহাৰৰ প্ৰসাৰৰ বাবে চলোৱা বিশেষ প্ৰচেষ্টাৰ বাবে পুৰস্কিত কৰা হ'ব। আন বিষয়া তথা কৰ্মচাৰীসকলক ৰে'লৱেৰ সম্পত্তি আৰু জীৱন সুৰক্ষিত কৰি ৰখাৰ ক্ষেত্ৰত প্ৰদৰ্শন কৰা অসাধাৰণ সাহসিকতা, টিকট বিহীন ভ্ৰমণ আৰু ৰাজহ চুৰি ৰোধ কৰা, ৰে'ল সেৱা পৰিচালনা কৰাৰ ক্ষেত্ৰত আগবঢ়োৱা ব্যতিক্ৰমী অৱদান আৰু বিভিন্ন প্ৰকল্প অভিলেখ সময়ত সম্পূৰ্ণ কৰাৰ বাবে এই পদক প্ৰদান কৰা হ'ব। ইয়াৰ উপৰি ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় ক্ৰীড়া প্ৰতিযোগিতাত অৰ্জন কৰা কৃতিত্বৰ বাবে দুগৰাকী ক্ৰীড়াবিদকো একেটা অনুষ্ঠানতে পদক প্ৰদান কৰা হ'ব।

০০০০০

ৰাষ্ট্ৰীয় নিৰাপত্তা উপদেষ্টা আৰু ভাৰত-চীন সীমা সমস্যাৰ বিষয়ৰ ভাৰতৰ বিশেষ প্ৰতিনিধি অজিত ডোভালে কাইলৈ চীনৰ প্ৰতিনিধি তথা কমিউনিষ্ট দলৰ কেন্দ্ৰীয় সমিতিৰ ৰাজনৈতিক ব্যুৰ'ৰ সদস্য আৰু বিদেশ পৰিক্ৰমা মন্ত্ৰী ৱাং য়িৰ সৈতে বেইজিঙত বিশেষ প্ৰতিনিধি সভাত অংশগ্ৰহণ কৰিব। বিদেশ মন্ত্ৰালয়ে জনাইছে যে, চলিত বৰ্ষৰ ২৩ অক্টোবৰত কাজানত অনুষ্ঠিত বৈঠকৰ সিদ্ধান্তমৰ্মে দুয়োগৰাকী বিশেষ প্ৰতিনিধিয়ে সীমা অঞ্চলত শান্তি তথা সৌহাৰ্দ্য সম্পৰ্কে আলোচনা কৰাৰ লগতে সীমা সমস্যাৰ ন্যায্য, যুক্তিসংগত আৰু পাৰস্পৰিক গ্ৰহণযোগ্য সমাধানত আলোকপাত কৰিব।

০০০০০

ৰাজস্থানৰ বৰ্তমানৰ চৰকাৰখন শাসনলৈ অহাৰ এটা বছৰ সম্পূৰ্ণ হোৱা উপলক্ষে আজি ৰাজ্যখনৰ জয়পুৰত বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হৈছে। অনুষ্ঠানত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অংশগ্ৰহণ কৰিব আৰু ৰাজ্যখনৰ শক্তি, পথ, ৰে'লৱে আৰু জলখণ্ডৰ সৈতে জড়িত ২৪টা প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিব। এই প্ৰকল্পসমূহ ৰূপায়ণৰ বাবে ৪৬ হাজাৰ ৩০০ কোটিতকৈও অধিক ধন ব্যয় কৰা হ'ব। তেওঁ লগতে অনুষ্ঠানত সমবেত ৰাইজক উদ্দেশ্যি ভাষণ দিব। অনুষ্ঠানত ৰাজস্থান আৰু মধ্য প্ৰদেশৰ মুখ্যমন্ত্ৰীদ্বয়ৰ লগতে ভালেকেইগৰাকী কেন্দ্ৰীয় মন্ত্ৰীয়েও অংশগ্ৰহণ কৰাৰ কথা আছে।

০০০০০

এই বৰ্ষৰ স্বাধীনতা দিৱস উদযাপনৰ সময়ত গুৱাহাটীত আই ই ডি সংস্থাপন কৰাৰ অপৰাধত ৰাষ্ট্ৰীয় অনুসন্ধানকাৰী সংস্থা চমুকৈ NIAই নিষিদ্ধঘোষিত উগ্ৰপন্থী সংগঠন সংযুক্ত মুক্তি বাহিনী অসম অৰ্থাৎ আলফা স্বাধীনৰ এজন সক্ৰিয় সদস্যক গ্ৰেপ্তাৰ কৰিছে। NIAৰ দলে অসম আৰক্ষীৰ সহযোগত কালি ডিব্ৰুগড়ৰ জাহ্নু বৰুৱাৰ বাসগৃহত চলোৱা অভিযানত ডিজিটেল যন্ত্ৰ তথা আপত্তিজনক সামগ্ৰী জব্দ কৰা হয় আৰু সম্প্ৰতি সেইবোৰৰ পৰীক্ষা চলাই থকা হৈছে। পাছলৈ অধিক সোধা-পোছাৰ বাবে তেওঁক স্থানীয় আৰক্ষী থানালৈ তলব কৰা হয়।

প্ৰাথমিক তদন্তত অভিযুক্তজনে স্বাধীনতা দিৱসত অসম আৰক্ষীয়ে জব্দ কৰা ১১টা আই ই ডিৰ ভিতৰত ৪টাৰ সংস্থাপনৰ সৈতে জড়িত থকাৰ কথা স্বীকাৰ কৰিছে। তাৰপাছতে জাহ্নু বৰুৱাক আইনী প্ৰক্ৰিয়া অনুসৰি গ্ৰেপ্তাৰ কৰা হয়।

চলিত বৰ্ষৰ ১৭ ছেপ্তেম্বৰত NIAই অসম আৰক্ষীৰ পৰা এই গোচৰৰ তদন্তৰ দায়িত্ব গ্ৰহণ কৰিছিল আৰু আই ছং অসম ওৰফে অভিজিত গগৈ তথা সংগঠনৰ আন শীৰ্ষ নেতাৰ নিৰ্দেশত আই ই ডি কেইটা সংস্থাপন কৰাটো নিশ্চিত হৈছিল। সম্প্ৰতি গোচৰটোৰ তদন্ত অব্যাহত আছে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এছিয়া কাপ হকী প্ৰতিযোগিতাৰ খিতাপ জয় কৰা ভাৰতৰ জুনিয়ৰ মহিলা দলক অভিনন্দন জ্ঞাপন কৰিছে। সামাজিক মাধ্যমৰ এটা পোষ্টত তেওঁ দলটোৰ ধাৰাবাহিকতা আৰু দৃঢ়তাক প্ৰশংসা কৰাৰ লগতে পৰৱৰ্তী প্ৰতিযোগিতাসমূহৰ বাবে শুভেচ্ছা জনায়। এই সফলতাই হকীৰ প্ৰতি যুৱ চামৰ আকৰ্ষণ ক্ৰমাৎ বৃদ্ধি পোৱাকে সূচাইছে বুলি প্ৰধানমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

০০০০০

ভাৰত আৰু অষ্ট্ৰেলিয়াৰ মাজৰ বৰ্ডাৰ গাভাস্কাৰ ট্ৰফীৰ বাবে চলি থকা তৃতীয়খন টেষ্ট খেলৰ চতুৰ্থ দিনা আজি ভাৰতে প্ৰথম ইনিংছত আমালৈ অহা শেহতীয়া বাতৰি পৰ্যন্ত ৫টা উইকেট হেৰুৱাই ১১৬ ৰান সংগ্ৰহ কৰিছে। ভাৰতীয় দলে কালি তৃতীয় দিনৰ খেল সামৰণিৰ পৰত প্ৰথম ইনিংছত চাৰিটা উইকেট হেৰুৱাই ৫১ ৰান সংগ্ৰহ কৰিছিল।

ইয়াৰ পূৰ্বে কালি ঘৰুৱা দলটোৱে প্ৰথম ইনিংছত ৪৪৫ ৰান সংগ্ৰহ কৰি আটাইকেইটা উইকেট হেৰুৱায়। ভাৰতৰ হৈ যশপ্ৰীত বুমৰাহে ৬টা, মহম্মদ ছিৰাজে দুটা আৰু নীতিশ ৰেড্ডী আৰু আকাশদ্বীপে এটাকৈ উইকেট দখল কৰে।

পাঁচখন খেলৰ শৃংখলাটোত দুয়োটা দলে ইতিমধ্যে এখনকৈ খেলত জয় লাভ কৰিছে।

০০০০০

ভাৰতৰ মহিলা দলটো আজি নৱী মুম্বাইৰ ডি ৱাই পাটিল ষ্টেডিয়ামত ৱেষ্ট ইণ্ডিজৰ বিৰুদ্ধে চলি থকা টি-টুৱেণ্টি আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট শৃংখলাৰ দ্বিতীয়খন খেলত অৱতীৰ্ণ হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি সন্ধিয়া ৭ বজাত আৰম্ভ হ'ব।

একেখন ষ্টেডিয়ামতে দেওবাৰে খেলোৱা শৃংখলাৰ প্ৰথমখন খেলত ভাৰতীয় দলে আলহী দলটোক ৪৯ ৰানৰ ব্যৱধানত পৰাস্ত কৰে। খেলখনত ভাৰতীয় দলে প্ৰথমে বেট ধৰি নিৰ্ধাৰিত ২০ অভাৰত ৪ উইকেটৰ বিনিময়ত ১৯৫ ৰান সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত ৱেষ্ট ইণ্ডিজে ২০ অভাৰত ৭টা উইকেট হেৰুৱাই ১৪৬ ৰানহে কৰিবলৈ সমৰ্থ হয়।

শৃংখলাৰ তৃতীয় তথা অন্তিমখন খেল বৃহস্পতিবাৰে অনুষ্ঠিত হ'ব। এই শৃংখলাৰ পাছত আলহী দলটোৱে ভাৰতৰ বিৰুদ্ধে তিনিখন এদিনীয়া আন্তঃৰাষ্ট্ৰীয় খেলৰ আন এটা শৃংখলাত ভাগ ল'ব। এদিনীয়া শৃংখলাৰ খেলকেইখন ২২, ২৪ আৰু ২৭ ডিচেম্বৰত অনুষ্ঠিত হ'ব।

০০০০০

**সমাপ্ত**